
# প্ৰত্যয় আৰু অন্বেষণ

## দুলাল ৰয়ৰ সাধনাৰ ছবি



# সূচীপত্ৰ

## প্ৰথম অধ্যায়


- অৰুণ শৰ্মা ৩
- বিমল কুমাৰ হাজৰিকা ৬
- পংকজ ঠাকুৰ ১২
- কীৰ্তি কমল ভূঞা ১৯
- কুল শইকীয়া ২৫
- কৰুণা ডেকা ২৮
- ৰাজীৱ কুমাৰ ফুকন ৩৪


## দ্বিতীয় অধ্যায়


- বীণা প্ৰসাদ ৪৫
- শ্বামীম আখটাৰ ৪৭
- ড° সান্ত্বনা বৰদলৈ ৫৭
- পূৰ্ণিমা পাঠক শইকীয়া ৬০
- চিত্ৰলেখা দত্ত ৬৫
- ৰুণু দেৱী ৭০
- সীমা বিশ্বাস ৭৪
- বীণা বাৰুৱতী ৭৭
- জয়া শীল ঘোষ ৮৪
- মীনা শইকীয়া ৮৬
- জুৰি দেৱী ৯১
- নিকুমণি বৰুৱা ৯৩
- বিজয়া ডেকা ৯৬
- জাহ্নৱী দাস শইকীয়া ১০১
- নলিনী পাঠক ১০৪
- কৰবী পাঠক ১১১

# গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত ৪৫ দিনীয়া নাট্য কৰ্মশালা ঃ এক অনুভৱ

*বিজয়া ডেকা*

১৯৮৬ চন, আমি তেতিয়া স্নাতকোত্তৰ মহলাৰ বিশেষ প্ৰাৰম্ভিক বৰ্ষৰ ছাত্ৰী। থাকো বিশ্ববিদ্যালয়ৰ অসম আৰ্হিৰ তিনি নং ছাত্ৰী নিবাসত। ছাত্ৰী নিবাসত থকা দিনবোৰ বৰ সুখৰ আছিল। এই সময়ছোৱাত পঢ়া-শুনাৰ লগতে বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি আমি বহু অভিজ্ঞতা আহৰণৰ সুযোগ লাভ কৰিছিলো।

বিশ্ববিদ্যালয়ৰ মজিয়াত থাকি সাংস্কৃতিক ক্ষেত্ৰখনৰ নতুন নতুন কথা জানিব পাৰিছিলো। Inter Versity Week, K. K. Handique Vollyball Competition, Youth Festival, Versity Week আদিৰ নানা কাৰ্যসূচী উপভোগ কৰাৰ সুযোগ পাইছিলো। পৰম্পৰাগত সংস্কৃতিৰ লগতে অন্যান্য সাংস্কৃতিক কাৰ্যসূচীতো যোগদান কৰাৰ সৌভাগ্যও ঘটিছিল। এই সময়ছোৱাতে স্নাতকোত্তৰ ছাত্ৰ সন্থাই অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত ৪৫ দিনীয়া নাট্য কৰ্মশালা এখনি অনুষ্ঠিত কৰিছিল। এই কৰ্মশালা ১৯৮৬ চনৰ ১৮ জুনৰ পৰা ৩১ জুলাইলৈ চলিছিল। এই নাট্য কৰ্মশালাখনৰ পৰিচালক আছিল অসমৰ সকলোৰে শ্ৰদ্ধাৰ নাট্যশিল্পী তথা পৰিচালক শ্ৰীযুত দুলাল ৰয়দেৱ। আমিও আন বহুতৰ লগতে পদ্ধতিগতভাৱে অভিনয় শিকিবলৈ বুলি মন মেলিলো।

এই কৰ্মশালাখনিত অংশগ্ৰহণ কৰিবলৈ ইন্টাৰভিউ দিব লগা হৈছিল। মোৰ এতিয়াও মনত আছে বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত এই ইন্টাৰভিউৰ ব্যৱস্থা কৰিছিল। ইন্টাৰভিউ মানে নাটকৰ সংলাপ মাতি অভিনয় কৰিব লাগিছিল। ময়ো আন বহুতৰ দৰে নাটকৰ বচন মাতি ভাও দেখুৱালো। যথা সময়ত গম পালো কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ বাছনিত উঠিছো। আন কলা-কুশলীসকল আছিল মাইনী মহন্ত, গুণ বৰা, চুলতানা হাজৰিকা, শান্তি থাপা, উৰ্মিমালা, বাণী দাস, অপূৰ্ব, বাবুল দাস, সমৰেন্দ্ৰ দাস, সপোনটি বৰদলৈ, প্ৰফুল্ল নাথ, অজিত নাথ, মলিন ডেকা, ৰাজীৱ বৰুৱা, ধ্ৰুৱ মহন্ত, নৱ কুমাৰ মহন্ত, বসন্ত বৰঠাকুৰ আদি (সকলোৰে নাম মনত পেলাব পৰা নাই)।

আগতে ভাবিছিলো, কৰ্মশালাত চাগৈ নাটকৰ বচন কিছুমান মাতিব দিব, চৰিত্ৰ অনুযাগী বচন আৰু অংগী-ভংগী শিকাব। কিন্তু কৰ্মশালাত অংশগ্ৰহণ কৰি দুদিনমান যোৱাৰ পাছত গম পালো অভিনয় কৰিবলৈ আনুষংগিক বহু কথা জনাৰ প্ৰয়োজন। থলুৱা নৃত্য-গীত জানিব লাগিব। সুন্দৰ কণ্ঠৰ অধিকাৰী হ'বলৈ কণ্ঠৰ ৰেৱাজ কৰিব লাগে। ষ্টেজৰ জ্ঞান থাকিব লাগে। আৰ্ট, ক'লাজ আদি জানিব লাগে। শাৰীৰিক ব্যায়াম অভিনয়ৰ বাবে অপৰিহাৰ্য। মেকআপ জানিব লাগে। এইকেইদিনত আমি পদ্ধতিগতভাৱে কণ্ঠৰ ৰেৱাজ কৰিছিলো। দুলাল ৰয় ছাৰে ভাগে ভাগে প্ৰশিক্ষকৰ দিহা কৰিছিল। ওচৰত থকা মানুহ এজনৰ লগত কেনেদৰে কথা পাতিম, দূৰৈত থকা মানুহ এজনক কিদৰে চিঞৰি মাতিম এনেবোৰ কথা আমাক খুব সুন্দৰকৈ অভ্যাস কৰাইছিল। তদুপৰি পুৱাতে ব্যায়াম কৰাইছিল।

অভিনয় যে এক বিশেষ কলা এই নাট্য কৰ্মশালাখনিত অংশগ্ৰহণ কৰি হৃদয়ংগম কৰিবলৈ সুবিধা পাইছিলো। অসম সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক শ্ৰদ্ধেয় আনন্দমোহন ভাগৱতী ছাৰে সত্ৰীয়া নৃত্যৰ ছেও শিকাইছিল। শিকাইছিল ৰজাই কিদৰে খোজ কাঢ়ে আৰু সাধাৰণ লোকে কিদৰে খোজ কাঢ়ে। ভাগৱতী ছাৰ এতিয়া এই সংসাৰত নাই। এই ছেগতে ছাৰলৈ শ্ৰদ্ধাঞ্জলি যাচিলো। সেইদৰে দিলীপ ফুকনদেৱে শাস্ত্ৰীয় নৃত্যৰ লয়, খোজ, মাত্ৰা আদি

শিকাইছিল। সপোনটি বৰদলৈ আৰু মই দুয়ো চাপৰ। আমি দুয়ো কঁকালত ধৰি নৃত্যৰ বোল, খোজ, তাল আদি শিকিছিলো। অভিনয়ৰ Theory আৰু Practical শিকাইছিল বিশিষ্ট নাট্যকাৰ, পৰিচালক শ্ৰদ্ধেয় কুলদা কুমাৰ ভট্টাচাৰ্য্য ছাৰে। বিশিষ্ট অভিনয় শিল্পী চেতনা দাস, জয়ন্ত দাস, বীণা ভাগৱতী, গব্যাঞ্জলি দাস, ৰমণী বৰ্মন আদি অভিজ্ঞতাপুষ্ট ব্যক্তিসকলে আমাক অভিনয় শিকাইছিল। সুদূৰ দিল্লীৰ NSD ৰ পৰা আহিছিল এন কে ৰাইনা, ৰুদ্ৰপ্ৰসাদ, সেনগুপ্ত আদি ভালেকেইজনো ব্যক্তি। সকলোৰে নাম মনত নাই। নাটকৰ এক গুৰুত্বপূৰ্ণ দিশ হ'ল মেকআপ। অবিনাশ শৰ্মা ছাৰে আমাৰ মেকআপৰ Class লৈছিল। এদিন তেওঁ মোক মেকআপ কৰি চকী এখনত মডেল কৰি বহুৱাই থৈছিল। মেকআপৰ জৰিয়তে মানুহ এগৰাকীৰে ওঁঠ কিদৰে বেঁকা দেখা হ'ব, চকু কেৰা দেখা যাব অথবা ডেকা মানুহ বুঢ়া দেখা হ'ব এইবোৰ কথা তেওঁ আমাক নিখুঁতকৈ বুজাই দিছিল। সেইদৰে কৰুণা ডেকা ছাৰে ষ্টেজ কেনেদৰে সজাব লাগে, একেখন ষ্টেজতে দিন-ৰাতি বা ইপাৰ-সিপাৰ অথবা দুটা পক্ষ কিদৰে দেখুৱাব পাৰি হাতে-কামে বুজাই দিছিল।

এইখিনিতে এটা কথা স্বীকাৰ কৰিব লাগিব যে সেই সময়ত আজিৰ দৰে যোগাযোগ ব্যৱস্থা ইমান সহজলভ্য নাছিল। তেনে অৱস্থাতো দুলাল ৰয় ছাৰে কিদৰে ইমান সমল ব্যক্তিৰ সুব্যৱস্থা কৰিছিল আৰু সময়মতে সকলো কাম কৰিছিল ভাবিলে আচৰিত লাগে। নিখুঁত পৰিকল্পনা আৰু সুদক্ষ অভিনেতা হোৱাৰ গুণেই হয়তো তেওঁ এই ক্ষেত্ৰত সফল হৈছিল। আজিকালি যিকোনো মুহূৰ্ততে সকলো বস্তু পায় মাত্ৰ ফোনকল এটাই যথেষ্ট, কিন্তু সেই সময়ত Land Line য'তে-ত'তে নাছিল। তেনে ক্ষেত্ৰত ৰয় ছাৰে কিমান কষ্ট আৰু ত্যাগ কৰি আমাক ৪৫ দিনীয়া প্ৰশিক্ষণ দিছিল সেয়া এক বিচাৰ্য বিষয়। ৰয় ছাৰৰ এয়া এক দুঃসাহসিক পদক্ষেপ আছিল।

কৰ্মশালাখনিত আমি নাটৰ বাবে গল্প লিখিবলগীয়া হৈছিল। ডাঠ কাগজেৰে ষ্টেজ বনাবলগীয়া হৈছিল। কৰ্মশালাৰ শেষৰফালে প্ৰদৰ্শনী হৈছিল। তাৰ বাবে দল বনাই দিছিল। আমাৰ দলত শান্তি থাপা বাইদেউ, বাবুল দাস,

সমৰেন্দ্ৰ দাস আদি আছিলো। সমৰেন্দ্ৰ দাসে ভাল ছবি আঁকিছিল। সেয়ে আমাৰ ক'লাজ খু-উ-ব সুন্দৰ হৈছিল আৰু আমাক সকলোৱে প্ৰশংসা কৰিছিল।

কৰ্মশালাত লাভ কৰা অভিজ্ঞতাৰে শেষৰফালে এখন নাটক কৰিবলৈ ঠিক কৰিছিল। ধৰ্মবীৰ ভাৰতীৰ মূল হিন্দী নাটকৰ পৰা অসমীয়ালৈ অনুবাদ কৰিছিল দুলাল ৰয় ছাৰে। নাটকৰ নাম 'অন্ধযুগ'। মহাভাৰতৰ যুদ্ধৰ এদিনৰ কাহিনী। নাটকখনি আছিল প্ৰতীকধৰ্মী। এটি দৃশ্যত অশ্বথামাই এটি কাউৰীৰ পাখি বুটলিব লাগে। দুলাল ৰয়ছাৰে এক পৰীক্ষণ চলালে। দুটি কাউৰী ষ্টেজত থাকিব। পৰস্পৰে মৰম কৰিব। কাউৰী দুটিৰ এজনী হ'ল শান্তি থাপা (বৰ্তমান ড° শান্তি থাপা, ৰাধাগোবিন্দ বৰুৱা কলেজৰ হিন্দী বিভাগৰ সহযোগী অধ্যাপিকা) আৰু আনজনী হ'লো মই (বিজয়া ডেকা)। সমস্যা হ'ল কাউৰীৰ সাজ-পাৰক লৈ। চেতনা দাস বাইদেৱে শান্তি বাইদেউ আৰু মোক লৈ বহু দৰ্জীক অনুৰোধ কৰিলে। কাউৰীৰ ডেউকা কিদৰে চিলাই কৰিব বৰ্ণনা কৰিলে। বহু ঘূৰি ঘূৰি যেনিবা শেষত শিলপুখুৰীত দৰ্জী এজন পালো। তেওঁ গাত ল'লে, কাউৰীৰ সাজ চিলাই কৰিবলৈ। আজিৰ দিনত যিকোনো চৰাইৰ সাজ-পোছাক তৎক্ষণাত চিলাব পাৰে। কিন্তু সেই সময়ত এইটো অতি কষ্টকৰ কাম আছিল।

যথা সময়ত নাটক প্ৰদৰ্শনৰ দিন আহিল। মাইনী মহন্ত (বৰ্তমান সম্পাদক, নন্দিনী, আঁতধৰোতা দূৰদৰ্শন কেন্দ্ৰ) বাইদেউ আৰু চুলতানা বাইদেউ দুয়ো এদিন গান্ধাৰীৰ ভাৱত অৱতীৰ্ণ হৈছিল। দিলীপ ফুকনদেৱে আমাক কাউৰীৰ অংগী-ভংগী শিকাই দিলে। কাউৰীৰ মাত দিলে চুলতানা হাজৰিকাই (বৰ্তমান চুলতানা হাজৰিকা কানৈ কলেজৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা)। মূৰত কাউৰীৰ অৱয়ৱ (ঠোঁট) লৈ সাজু হ'লো। অবিনাশ শৰ্মাছাৰে শান্তি বাইদেউ আৰু মোৰ মুখমণ্ডল ক'লা ৰঙৰ কৰি মেকআপ কৰি কাউৰীৰ চকু আঁকি দিলে। তেওঁ কৈছিল, নাহাঁহিবা কিন্তু। দাঁত ওলালে সকলো পণ্ড হ'ব।' বৰ ভয় লাগিছিল। কেনেকৈ যে কাউৰীৰ অভিনয় কৰিছিলো। ভাব হয়, এতিয়া কাউৰীৰ অভিনয় কৰিবলৈ পালে আৰু নিখুঁতকৈ কৰিলোহেঁতেন।

কাউৰী দুটি ষ্টেজত কল্পনা কৰি দুলাল ৰয় ছাৰে কি সমীক্ষা চলাইছিল ভাবিলে আচৰিত লাগে। পিছত গম পাইছিলো এই কৰ্মশালা হেনো অসমত অনুষ্ঠিত হোৱা (৪৫ দিনীয়াকৈ) প্ৰথম নাট্য কৰ্মশালা।

জুন-জুলাই গৰমৰ দিন। কেনেকৈ যে ৪৫ দিন পাৰ কৰিছিলো গম পোৱা নাছিলো। অভিনেতা-কলা কুশলীসকলৰ মৰম-চেনেহ, ৰয় ছাৰৰ সুদক্ষ পৰিচালনা, সুনিৰ্দেশনা আৰু অংশগ্ৰহণকাৰীসকলৰ সহযোগিতাই কৰ্মশালাখনিৰ সময়খিনিত মধুৰ পৰিৱেশ ৰচনা হোৱাত বৰঙণি যোগাইছিল। বহু নতুন নতুন কথা শিকিলো, বহু অভিজ্ঞতা বুটলিলো। বিশেষকৈ এগৰাকী অভিনেতাৰ যে শৰীৰ, মন, কণ্ঠ সুন্দৰ হোৱাৰ লগতে নৃত্য-গীত অভিনয় আবৃত্তি আদিৰ জ্ঞান থাকিব লাগে সেই কথা উপলব্ধি কৰিলো।

প্ৰশিক্ষক হিচাপে, পৰিচালক হিচাপে শ্ৰদ্ধাৰ দুলাল ৰয় ছাৰক ইমান ওচৰৰ পৰা পালো আৰু যি পালো, যি শিকিলো তাৰ ঋণ হয়তো কেতিয়াও সুজিব নোৱাৰিম। ব্যক্তিগতভাৱে 'অন্ধযুগ' নাটকৰ বাবে কাউৰীৰ চৰিত্ৰ ৰূপায়ণ কৰিবলৈ আমাক যিধৰণে প্ৰশিক্ষণ দিয়া হৈছিল মোৰ বাবে স্মৰণীয় হৈ ৰ'ব। এই চৰিত্ৰৰ উপস্থাপন পদ্ধতিয়ে পৰৱৰ্তী কালৰ পৰিচালকসকলৰ বাবে তেনে কাম কৰাৰ বাট মুকলি কৰাত সহায় কৰিছিল।